# দাবী আৰু আপত্তি বিষয়ক গুৰুত্বপূৰ্ণ ঘোষণা

NRC
NATIONAL REGISTER OF CITIZENS

আমাৰ এন আৰ চি, ন্যায়সংগত এন আৰ চি



ভাৰত চৰকাৰে নাগৰিকত্ব বিধি, 2003ৰ Rule 4Aৰ সংলগ্ন পৰিশিষ্টৰ 6 ধাৰাৰ ব্যৱস্থা অনুযায়ী অসমৰ খচৰা এন আৰ চি প্ৰকাশৰ পিছত দাবী আৰু আপত্তি নিষ্পত্তিৰ বাবে ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিঅ'ৰ (SOP) জাৰী কৰিছে। ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিঅ'ৰ (SOP) NRC অসমৰ ৱেবচাইট (**nrcassam.nic.in**)ত চাব পাৰিব

দাবী আৰু আপত্তি নিষ্পত্তি সম্পৰ্কীয় SOPৰ দ্বাৰা ভাৰতৰ অন্যান্য ৰাজ্য মূলৰ ভাৰতীয় নাগৰিক আৰু অনাথ ও নিঠৰুৱাসকলৰ বাবে বিশেষ ব্যৱস্থা (dispensation) প্ৰদান কৰা হৈছে। এই বিশেষ ব্যৱস্থাৱলীয়ে অন্য ৰাজ্য মূলৰ আৰু নিৰ্দিষ্ট এলেকা (Specified Territory) বাংলাদেশ মূলৰ নোহোৱা আৰু **24মাৰ্চ, 1971** ৰ আগতে বা পিছত যিকোনো সময়ত অসমলৈ বসবাসৰ বাবে অহা লোকসকলক সাঙুৰি ল'ব। ইয়াৰ উপৰিও যিসকল দাবীদাৰ অসমৰ মূল বাসিন্দা, তেওঁলোকৰ ক্ষেত্ৰত নাগৰিকত্ব (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান) বিধি, 2003ৰ পৰিশিষ্টৰ ধাৰা 3(3)ৰ আইনগত বিধান প্ৰযোজ্য হ'ব। কোনো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম চূড়ান্ত এন আৰ চি'ৰ পৰা বাদ নপৰাতো নিশ্চিত কৰাই SOPৰ লক্ষ্য

**এই পৰিপ্ৰেক্ষিতত, দাবীদাৰসকলক তেওঁলোকে দাখিল কৰা দাবীৰ সম্পৰ্কত তথ্য প্ৰদান কৰিবলৈ অনুৰোধ কৰা হ'ল যে -**

a) তেওঁলোক অন্যান্য ৰাজ্য মূলৰ ভাৰতীয় নাগৰিক আৰু নিৰ্দিষ্ট এলেকা (Specified Territory) অৰ্থাৎ বাংলাদেশ মূলৰ নহয়। যদি হয়, সংশ্লিষ্ট ৰাজ্যৰ নাম উল্লেখ কৰিব

b) SOPত সন্নিবিষ্ট অন্যান্য বিশেষ ব্যৱস্থাৱলী নাইবা উপলব্ধ আইনগত ব্যৱস্থাৱলীৰ সুবিধা গ্ৰহণ কৰিলে গ্ৰহণ কৰা এনেধৰণৰ বিশেষ ব্যৱস্থাৰ বিষয়ে তথ্য দাখিল কৰিব

**দাবীদাৰসকলক ওপৰত উল্লেখিত a) আৰু b) দফাৰ প্ৰয়োজনীয় তথ্য দাবী প্ৰপত্ৰৰ D পিঠিৰ প্ৰশ্ন 7 ৰ বিপৰীতে দিয়া উত্তৰত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল।** যিসকলে ইতিমধ্যে দাবী প্ৰপত্ৰ দাখিল কৰিছে, তেওঁলোকে সংশ্লিষ্ট NRC সেৱা কেন্দ্ৰলৈ গৈ ওপৰত উল্লেখিত তথ্যখিনি অতিৰিক্তভাৱে দাখিল কৰিব লাগিব

**মন কৰিবঃ** ওপৰোক্ত তথ্যৰ আধাৰত দাবী দাখিল কৰাৰ ভিত্তিত চূড়ান্ত এন আৰ চি'ত পোনপটীয়াকৈ নাম অন্তৰ্ভুক্তিৰ অধিকাৰ সাব্যস্ত নহয়। এনে যোগ্যতা আইনসিদ্ধ ব্যৱস্থাৱলী আৰু অনুমোদিত পৰীক্ষণ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। কোনো দাবীদাৰ / আপত্তিকাৰীয়ে জানি-বুজি কোনো ভুল তথ্য বা বিৱৰণ দাখিল কৰিলে নাগৰিকত্ব আইন ১৯৫৫ৰ ১৭ ধাৰাৰ অধীনত শাস্তিৰ সন্মুখীন হ'ব লাগিব।

Exclusive/NRC/11-18

জনহিতাৰ্থে প্ৰচাৰিত

ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ

নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক